*Total number of printed pages–8*

**14 (ASM–1) 1026**

**2019**

**ASSAMESE**

Paper : ASM-1026

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। এটা বাক্যত উত্তৰ দিয়া ঃ ১×১০=১০

(ক) মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাত অসমৰ কোনখন ঠাইৰ ভাষাৰ প্ৰভাৱ সহজে চকুত পৰে?

(খ) মফিজুদ্দিন আহমদ হাজৰিকাৰ সদ্য-আবিষ্কৃত কবিতা-পুথিখনৰ নাম কি?

(গ) ভবেন বৰুৱাৰ প্ৰথম কবিতা-পুথিখনৰ নাম উল্লেখ কৰা।

(ঘ) হিমেন্দ্ৰ বৰঠাকুৰৰ বিজ্ঞানভিত্তিক নাটক কোনখন?

(ঙ) 'ফুল' কাৰ উপন্যাস?

Contd.

(চ) উমাকান্ত শৰ্মাৰ 'ভাৰগু পক্ষীৰ জাক' উপন্যাসখন কোন চনত প্ৰথমে প্ৰকাশিত হৈছিল?

(ছ) অৰূপা পটংগীয়া কলিতাই কোন চনত সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল?

(জ) ৰমা দাশৰ 'অবুজ মায়া' গল্পৰ নিষ্পেষিতা মহিলাগৰাকীৰ নাম কি?

(ঝ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ কোনটো গল্পত দ্বিতীয় মহাযুদ্ধৰ আণৱিক বোমাৰ প্ৰসংগ আছে?

(ঞ) শীলভদ্ৰৰ গল্পসমূহ অসমৰ কোনখন ঠাইৰ প্ৰতিফলক?

২। *তিনি-চাৰিটা* বাক্যত উত্তৰ দিয়া ঃ ২×১০=২০

(ক) ৰোমাণ্টিক কবিতাৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(খ) ভবানন্দ দত্তৰ সমালোচনাত স্পষ্ট হোৱা অসমীয়া ৰোমাণ্টিক কবিতাৰ মুখ্য ধাৰা দুটা কি কি?

(গ) ষাঠি আৰু সত্তৰৰ দশকত জ্ঞান পূজাৰীয়ে অসমৰ আধুনিক কবিতাৰ কোনটো ধাৰা অনুযায়ী কবিতা লিখিবলৈ লৈছিল? তেওঁৰ সাহিত্য অকাদেমি বঁটা বিজয়ী কবিতা-পুথিখনৰ নাম উল্লেখ কৰা।

(ঘ) নকুল চন্দ্ৰ ভূঞাৰ 'বিদ্ৰোহী মৰাণ' নাটক সম্বন্ধে এটা সৰু টোকা লিখা।

(ঙ) অতুল চন্দ্ৰ হাজৰিকাৰ নাটকত শ্বেইক্‌ছপীয়েৰৰ নাটকৰ *দুটা* প্ৰভাৱ স্পষ্ট কৰা।

(চ) য়েছে দৰজে ঠংচিৰ প্ৰথম উপন্যাস কোনখন আৰু তাত অৰুণাচলৰ কোনটো জনগোষ্ঠীৰ জনজীৱন ফুটি উঠিছে?

(ছ) উমাকান্ত শৰ্মাৰ প্ৰথম উপন্যাসখনৰ নাম কি? উপন্যাসখনৰ ৰচনাকাল উল্লেখ কৰা।

(জ) ৰমা দাশৰ সমসাময়িক (আৱাহন যুগৰ) দুগৰাকী গল্পকাৰৰ নাম উল্লেখ কৰা।

(ঝ) বিপুল খাটনিয়াৰৰ দুখন গল্প-পুথিৰ নাম লিখা।

(ঞ) 'বিপুল খাটনিয়াবৰ গল্পত সমসাময়িক ৰাজনৈতিক পৰিস্থিতিৰ চিত্ৰণ দেখা যায়' — উক্তিটোৰ সত্যতা প্ৰতিপন্ন কৰিব পৰা দুটা গল্পৰ নাম উল্লেখ কৰা।

৩। চমুটোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাত শংকৰী প্ৰভাৱ

(খ) ভবানন্দ দত্তৰ এলিয়ট-বিদ্বেষ

(গ) জ্ঞান পূজাৰীৰ কবিতাত ব্যংগ

(ঘ) হিমেন্দ্ৰ বৰঠাকুৰৰ 'বাঘ' নাটক

(ঙ) উমাকান্ত শৰ্মাৰ উপন্যাসত নিম্নস্তৰীয় লোকৰ জীৱনৰ প্ৰতিচ্ছবি

(চ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পত ৰাজনৈতিক চেতনা

(ছ) দণ্ডিনাথ কলিতাৰ উপন্যাসত সংস্কাৰধৰ্মী চেতনা

৪। রচনাধৰ্মী উত্তৰ দিয়া ঃ *(যিকোনো তিনিটা)* ১০×৩=৩০

(ক) ভবেন বৰুৱাৰ 'সোণালী জাহাজ' কবিতা-পুথিৰ সহায়ত ষাঠি-সত্তৰৰ দশকত একাংশ অসমীয়া কবিয়ে কিদৰে এলিয়টৰ প্ৰচ্ছায়াৰ পৰা আঁতৰি অহাৰ প্ৰচেষ্টা চলাইছিল, দেখুওৱা।

(খ) নকুল চন্দ্ৰ ভূঞাৰ নাটকত ৰোমান্টিক নাটকৰ বৈশিষ্ট্য কিদৰে ধৰা পৰে, আলোচনা কৰা।

(গ) অতুল চন্দ্ৰ হাজৰিকা আৰু হিমেন্দ্ৰ বৰঠাকুৰৰ নাটকৰ সমাজ-সমালোচনাৰ পাৰ্থক্য চিহ্নিত কৰা।

(ঘ) য়েছে দৰজে ঠংচিৰ উপন্যাসত পৰম্পৰা আৰু আধুনিকতাৰ দ্বন্দ্ব কিদৰে স্পষ্ট হৈছে, এই সন্দৰ্ভত এটা প্ৰবন্ধ প্ৰস্তুত কৰা।

(ঙ) ৰমা দাশৰ গল্পত আধুনিক ডেকা-গাভৰুৰ ৰোমাঞ্চৰ ছবি কিদৰে ফুটি উঠিছে দেখুওৱা আৰু সেই ছবিৰ ঐতিহাসিক তাৎপৰ্য ঠাৰৰ কৰা।

(চ) শীলভদ্ৰৰ গল্পৰ কথন-মাধুৰ্য সন্দৰ্ভত এটা আলোচনা আগবঢ়োৱা।